NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 19**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠক অনুষ্ঠিত হৈছে।

২। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ আজি খাৰিজ কৰিছে।

৩। বাংলাদেশৰ হিন্দু আৰু আন সংখ্যালঘু লোকৰ বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান, মন্দিৰ আদিকে ধৰি বিভিন্ন ধৰ্মীয় স্থানত চলোৱা হিংসাত্মক ঘটনাৰ ভালেমান গুৰুত্বপূৰ্ণ তথ্য ভাৰত চৰকাৰে লাভ কৰিছে।

৪। পৰ্য্যটন মন্ত্ৰ্যালয়ে আজি কৈছে যে ভাৰতক ৩৬৫ দিনেই পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে মন্ত্ৰ্যালয়ে ইয়াৰ ৱেবছাইট, সামাজিক মাধ্যমযোগে প্ৰচাৰকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

*আৰু*

৫। কেন্দ্ৰীয় চৰকাৰে দেশত খেল' ইণ্ডিয়া আঁচনিৰ অধীনত মুঠ এহেজাৰ ২৫০ টা খেল' ইণ্ডিয়া কেন্দ্ৰৰ অনুমোদন দিছে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত জম্মু-কাশ্মীৰৰ নিৰাপত্তাৰ দিশটোৰ লগতে নিৰাপত্তাজনিত অন্যান্য বিষয়সমূহত গুৰুত্ব আৰোপ কৰা হ'ব। জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই অঞ্চলটোত শান্তি আৰু স্থিৰতা কৌশলসমূহ পুনৰীক্ষণ কৰাৰ বাবে এই বৈঠকত অংশগ্ৰহণ কৰিছে। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, সেনাবাহিনীৰ মুৰববী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ সঞ্চালক সদানন্দ ডাতে, বি এছ এফৰ মুৰববী দলজিৎ সিং চৌধৰী আৰু অন্যান্য বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰে।

oooooooo

ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ আজি খাৰিজ কৰিছে। বিৰোধী দলসমূহে জগদীপ ধনখড়ৰ বিৰুদ্ধে বৈসম্যমূলক আচৰণ কৰাৰ অভিযোগ তুলি তেওঁৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছিল। উপ-সভাপতি হৰিবংশে এই কাৰ্যক অসন্মানজনক, অধিক ক্ৰতিপূৰ্ণ, খৰখেদাকৈ লোৱা সিদ্ধান্ত আৰু ৰাজ্যসভাৰ সভাপতিগৰাকীৰ সন্মান হানি কৰাৰ চেষ্টা কৰা বুলি অভিহিত কৰিছিল। তেওঁ লগতে এই কাৰ্য সাংবিধানক প্ৰতিষ্ঠান ধ্বংস কৰাৰ অভিপ্ৰায় বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, ৰাজ্যসভাৰ সভাপতিগৰাকীক পদৰ পৰা অপসাৰিত কৰাৰ বাবে চলিত মাহৰ ১০ তাৰিখে কমেও ৬০ গৰাকী বিৰোধী সদস্যই তেওঁৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱত স্বাক্ষৰ কৰিছিল।

oooooooo

বাংলাদেশৰ হিন্দু আৰু আন সংখ্যালঘু লোকৰ বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান, মন্দিৰ আদিকে ধৰি বিভিন্ন ধৰ্মীয় স্থানত চলোৱা হিংসাত্মক ঘটনাৰ ভালেমান গুৰুত্বপূৰ্ণ তথ্য ভাৰত চৰকাৰে লাভ কৰিছে। ৰাজ্যসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে জানিবলৈ দিয়ে যে চৰকাৰে এই ঘটনাক গভীৰভাৱে লৈছে আৰু ভাৰতৰ এই উদ্বিগ্নতাৰ কথা বাংলাদেশক চৰকাৰীভাৱে জনোৱা হৈছে। শ্ৰী সিঙে কয়, যে বাংলাদেশ চৰকাৰৰ তথ্য অনুসৰি দেশখনত সংখ্যালঘু লোক আৰু তেওঁলোকৰ সম্পত্তিৰ ওপৰত চলোৱা আক্ৰমণৰ ঘটনা সন্দৰ্ভত ৮৮ টা গোচৰ ৰুজু কৰা হৈছে আৰু এতিয়ালৈকে ৭০ জন লোকক আটক কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে সংখ্যালঘুকে ধৰি সকলো ধৰণৰ নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰাটো বাংলাদেশ চৰকাৰৰ দায়িত্ব আৰু এই দায়িত্ব সেই দেশৰ চৰকাৰে উপযুক্তভাৱে পালন কৰিব বুলি ভাৰত আশাবাদী। ভাৰতৰ এই স্থিতিৰ বিষয়ে যোৱা ৯ ডিচেম্বৰত ঢাকা ভ্ৰমণলৈ যোৱা ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে বাংলাদেশ চৰকাৰক জনাইছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

oooooooo

অসামৰিক বিমান পৰিবহন দপ্তৰৰ ৰাজ্য মন্ত্ৰী মুৰুলীধৰ মহলে কয়, যে ভালেমান দেশতকৈ ভাৰতৰ বিমান ভাড়াৰ পৰিমাণ কম। লোকসভাত আজি এটা লিখিত উত্তৰত শ্ৰী মহলে কয়, যে অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে বিমান ভাড়া নিৰীক্ষণ গোট স্থাপন কৰিছে আৰু এই গোটে বিভিন্ন দেশৰ বিমান ভাড়া নিৰীক্ষণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৩ বৰ্ষৰ তুলনাত চলিত বৰ্ষত এই ভাড়াৰ পৰিমাণ হ্ৰাস পাইছে। তেওঁ দাবী কৰে যে, প্ৰতি কিলোমিটাৰ হিচাপত ভাৰতীয় বিমান পৰিবহন সংস্থাসমূহে নিৰ্ধাৰণ কৰা ভাড়া বিশ্বৰ আন বিমান পৰিবহন সংস্থাৰ ভাড়াতকৈ কম। মন্ত্ৰীগৰাকীয়ে কয়, যে যাত্ৰী ভাড়া নিৰুপনৰ সময়ত বিমান সংস্থাসমূহক যাত্ৰীসকলৰ স্বাৰ্থৰ কথা মনত ৰাখিবলৈ কোৱা হয়। অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ বিমান ভাড়া নিৰীক্ষণ গোটে যোৱা উৎসৱৰ সময়ছোৱাত বিভিন্ন ব্যক্তিগত বিমান পৰিবহন সংস্থাৰ ঘৰুৱা বিমান সেৱাৰ ভাড়া নিৰীক্ষণ কৰিছিল আৰু সেই সময়ত কোনো অস্বাভাৱিক বিমান ভাড়াৰ বিষয়ে দৃষ্টিগোচৰ হোৱা নাছিল। তেওঁ লগতে কয়, যে চৰকাৰে বিমান ভাড়াৰ ক্ষেত্ৰত সুস্থ বাণিজ্যিক প্ৰতিযোগিতাৰ পোষকতা কৰে আৰু সাধাৰণতে বিমান ভাড়াৰ ক্ষেত্ৰত নিয়ন্ত্ৰকৰ ভূমিকা ল'বলৈ নিবিচাৰে।

oooooooo

বিশ্বৰ ২৬ খন দেশে ভাৰতীয় পৰ্যটকসকলৰ বাবে ভিছাবিহীন ভ্ৰমণৰ সুবিধা আগবঢ়াইছে। আজি ৰাজ্যসভাত বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে এই কথা প্ৰকাশ কৰি কয়, যে ভাৰতীয় পাছপ'ৰ্টধাৰী নাগৰিকৰ বাবে বিশ্বৰ ৪০ খন দেশে সেই দেশসমূহত প্ৰৱেশ কৰাৰ পাছতে ভিছা প্ৰদানৰ সুবিধা আগবঢ়াইছে। ইয়াৰ বিপৰীতে ভাৰতে নেপাল, ভূটান আৰু মালদ্বীপৰ নাগৰিকৰ বাবে ভাৰতত ভিছাবিহীন প্ৰৱেশৰ সুবিধা আগবঢ়ায়। তেওঁ লগতে কয়, যে ভাৰতলৈ পৰ্যটন, চিকিৎসা আৰু ব্যৱসায়িক কাৰণত অহা মালদ্বীপৰ নাগৰিকক পূৰ্বৱৰ্তী ছমাহত ৯০ দিনতকৈ কম দিন ভাৰতত অতিবাহিত কৰাৰ চৰ্তত ভাৰতত ভিছাবিহীন প্ৰৱেশৰ সুবিধা আগবঢ়োৱা হয়।

oooooooo

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কাইলৈৰ পৰা তিনি দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মৰিছাছলৈ যাব। সেই দেশৰ প্ৰধানমন্ত্ৰী নবীনচন্দ্ৰ ৰামগুলামৰ নেতৃত্বত মৰিছাছত নতুন চৰকাৰ গঠনৰ পাছত দুয়োখন দেশৰ মাজৰ

দ্বিপাক্ষিক সম্বন্ধৰ বাবে এইয়া হ'ব প্ৰথম উচ্চ পৰ্যায়ৰ ভ্ৰমণ। এই ভ্ৰমণত দুয়োখন দেশৰ মাজত উচ্চ পৰ্যায়ৰ নিয়মীয়া আদান-প্ৰদান অব্যাহত ৰখাৰ লগতে গ্লোবেল ছাউথৰ দায়বদ্ধতা, আফ্ৰিকাৰ বাবে থকা নীতি আৰু সাগৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰাধিকাৰ প্ৰতিফলিত কৰিব। ভাৰত আৰু মৰিছাছে দীৰ্ঘদিনৰে পৰাই দুয়োখন দেশৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু পৰম্পৰাগত সম্বন্ধক বৰ্তাই ৰাখিছে আৰু বিভিন্ন ক্ষেত্ৰত সহযোগিতা অব্যাহত ৰাখিছে। বিদেশ সচিবগৰাকীক এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্বন্ধ আৰু প্ৰসাৰিত কৰাৰ সুবিধা প্ৰদান কৰিব।

০০০০০০০০

পৰ্য্যটন মন্ত্ৰালয়ে আজি কৈছে যে ভাৰতক ৩৬৫ দিনেই পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে মন্ত্ৰ্যালয়ে ইয়াৰ ৱেবছাইট, সামাজিক মাধ্যমযোগে প্ৰচাৰকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে ৰাজ্য সভাত আজি এটা লিখিত উত্তৰত  জানিবলৈ  দিয়ে যে, পৰ্যটনক বিকশাই তোলাৰ বাবে **দেখো আপনা দেশ**কে ধৰি আন ভালেমান পদক্ষেপৰ জৰিয়তে জনপ্ৰিয় নোহোৱা পৰ্যটন ক্ষেত্ৰক অধিক জনপ্ৰিয় কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰী শেখাৱটে কয়, যে মন্ত্ৰ্যালয়ে পৰ্যটন ক্ষেত্ৰসমূহক পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ বহনক্ষম উন্নয়ন সাধন কৰিবলৈ **স্বদেশ দৰ্শন** আঁচনিক স্বদেশ দৰ্শন ২.০ নামেৰে পুনৰ প্ৰৱৰ্তন কৰিছে।

০০০০০০০০

মুম্বাইৰ গে'টৱে অব ইণ্ডিয়াৰ সমীপৰ কাৰাঞ্জাত কালি সংঘটিত শোকাবহ নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। উল্লেখযোগ্য যে কালিৰ এই দুৰ্ঘটনাত তিনিগৰাকী নিৰাপত্তাৰক্ষীকে ধৰি মুঠ ১৩ গৰাকী লোকে প্ৰাণ হেৰুৱায়। এই পৰ্যন্ত দুগৰাকী লোক সন্ধানহীন হৈ আছে বুলি এটা সূত্ৰত প্ৰকাশ পাইছে।

এই ঘটনাত প্ৰধানমন্ত্ৰী মোদীয়ে দুখ প্ৰকাশ কৰিছে। তেওঁ নাও দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিগৰাকী লোকৰ নিকতাত্মীয়লৈ দুই লাখ টকা আৰু আহত প্ৰতিগৰাকীলৈ ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ইফালে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছেও নাও দুৰ্ঘটনাত নিহত লোকসকলৰ নিকতাত্মীয়লৈ ৫ লাখ টকাৰ সাহায্য আগবঢ়োৱাৰ ঘোষণা কৰিছে।

ভাৰতীয় নৌ সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি কালি মুম্বাইৰ কাৰাঞ্জাত ইঞ্জিনৰ পৰীক্ষা চলাই থকা সময়ত নৌ সেনাৰ এখন স্পীড বোটে এখন যাত্ৰীবাহী ফেৰীক খুন্দিয়ায়। ফেৰীখনে গে'টৱে অব ইণ্ডিয়াৰ পৰা এলিফেণ্টা দ্বীপলৈ যাত্ৰী কঢ়িয়াই নিছিল। নৌ সেনাৰ চাৰিখন হেলিকাপ্তাৰ, ১১ খন জাহাজ, উপকূলৰক্ষী বাহিনীৰ এখন নাও আৰু নৌ আৰক্ষীৰ তিনিখন উদ্ধাৰকাৰী নাৱে উদ্ধাৰ অভিযান চলাই এতিয়ালৈকে ১০৫ গৰাকী যাত্ৰীক উদ্ধাৰ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশত খেল' ইণ্ডিয়া আঁচনিৰ অধীনত মুঠ এহেজাৰ ২৫০ টা খেল' ইণ্ডিয়া কেন্দ্ৰৰ অনুমোদন দিছে। ৰাজ্যসভাত আজি লিখিত উত্তৰত কেন্দ্ৰীয় যুৱ-পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই জনাই যে, কেন্দ্ৰই বিভিন্ন আঁচনিৰ অধীনত ৰাজ্যসমূহৰ খেলৰ আন্তঃগাঁথনি শক্তিশালী  কৰি গঢ়ি তুলিবলৈ সহায় আগবঢ়াই আহিছে।

খেল' ইণ্ডিয়া আঁচনিৰ অধীনত সমগ্ৰ দেশতে ৩২৩টা ক্ৰীড়া আন্তঃগাঁথনি প্ৰকল্পৰ অনুমোদন জনাইছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

00000000

কাবাদী, খো-খো, মল্লযুজ, ফুটবল আদি খেলসমূহৰ প্ৰচাৰৰ অৰ্থে খেল' ইণ্ডিয়াকে ধৰি সমগ্ৰ দেশতে বিভিন্ন আঁচনি প্ৰৱৰ্তন কৰা হৈছে বুলি ক্ৰীড়া মন্ত্ৰালয়ে আজি জানিবলৈ দিয়ে।

ৰাজ্যসভাত এটা লিখিত উত্তৰত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই জনাই যে, খেল' ইণ্ডিয়া কাৰ্যসূচীৰ উপৰি ক্ৰীড়া উন্নয়নৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাক সাহায্য প্ৰদান আঁচনি, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াত বিজয়ী খেলুৱৈ আৰু প্ৰশিক্ষকক বিশেষ পুৰস্কাৰ তথা ৰাষ্ট্ৰীয় ক্ৰীড়া পুৰস্কাৰ আদি সমগ্ৰ দেশতে প্ৰৱৰ্তন  কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

প্ৰতিভাসম্পন্ন খেলুৱৈসকলক পেঞ্চন প্ৰদান, পণ্ডিত দীনদয়াল উপাধ্যায় ৰাষ্ট্ৰীয় কল্যাণ অনুষ্ঠান তথা ভাৰতীয় ক্ৰীড়া প্ৰাধীকৰণৰ জৰিয়তে ৰাষ্ট্ৰীয় ক্ৰীড়া উন্নয়ন পুঁজি গঠন তথা ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰসমূহ কাৰ্যক্ষম কৰাৰ বাবে সমগ্ৰ দেশতে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

00000000

সমাপ্ত